অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় বুধবাৰ, ৭ জুন, ২০২৩ ২৩ জেঠ, ১৯৪৫ শক

# ডিব্ৰু মহাবিদ্যালয়ত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ আলোচনা জিতেন হাজৰিকাৰ

ডিব্ৰুগড়, ৬ জুন ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু ডিব্ৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ 'চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম' শীৰ্ষক এখন কৰ্মশালা ডিব্ৰু মহাবিদ্যালয়ত ৬ জুনত অনুষ্ঠিত কৰা হয়। ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে কৰ্মশালাখনিৰ আদৰণী ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ চন্দনা গগৈয়ে এই কৰ্মশালাখনৰ প্ৰয়োজনীতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিষয়ে বীজ ভাষণ প্ৰদান কৰে। তেওঁ এই চাৰিবছৰীয়া পাঠ্যক্ৰমৰ মূল্য আৰু শিক্ষকসকলৰ ভূমিকাৰ বিষয়ে বক্তব্য আগবঢ়ায়। লগতে তেওঁ শিক্ষকসকলক উদ্দেশ্যি কয় যে শিক্ষকসকল গুৰু হোৱাৰ আগতে নিজেই শিষ্য হোৱাৰ প্ৰয়োজন। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত পৰিদৰ্শক ড° ৰূপম শইকীয়াই নতুন শিক্ষানীতিত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমত বিভিন্ন ষাণ্মাসিকত শিক্ষাৰ্থীসকলে বহু বিষয় গ্ৰহণৰ উপযোগিতাৰ বিষয়ে বক্তব্য প্ৰদান কৰে। তেওঁ কয় যে এই শিক্ষা ব্যৱস্থাত শিক্ষণৰ সমান্তৰালভাৱে এজন শিক্ষাৰ্থীয়ে উপাৰ্জনৰ পথো বাছি ল'ব পাৰিব। কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপিকা নীতা কলিতা বৰুৱা। তেওঁ 'Understanding the FYUGP Structure of Dibrugarh University' শীৰ্ষক বিষয়ত বিস্তৃতভাৱে আলোচনা আগবঢ়ায়। তেওঁ এই শিক্ষা ব্যৱস্থাৰ গঠন, বৈশিষ্ট্য, লক্ষ্য, সুবিধা আৰু প্ৰত্যাহ্বান সম্পৰ্কে বক্তব্য প্ৰদান কৰে। প্ৰাধ্যাপিকা কলিতা বৰুৱাই এই শিক্ষা ব্যৱস্থাত সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰ কৰিবলৈ অংশগ্ৰহণকাৰীসকলক পৰামৰ্শ প্ৰদান



কৰে। এই কৰ্মশালাখনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° অৰীনজিৎ হাজৰিকা উপস্থিত থাকি চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম প্ৰয়োগৰ পৰিকল্পনা সম্পৰ্কে এক আভাস দিয়ে। তেওঁ নতুন শিক্ষানীতিত ABC (Academic Bank of Credit) সুবিধাৰ সম্পৰ্কে আলোচনা আগবঢ়ায়। অনুষ্ঠানটোত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বিভিন্ন মহাবিদ্যালয়সমূহৰ অধ্যক্ষ তথা অধ্যাপকসকল উপস্থিত থাকি সমল ব্যক্তিৰ সৈতে আলোচ্য বিষয়টো সন্দৰ্ভত নিজৰ নিজৰ মন্তব্য আগবঢ়ায়। কৰ্মশালাখনিৰ লগত সংগতি ৰাখি ডিব্ৰু মহাবিদ্যালয়ৰ পাঁচটা বিভাগে (সংস্কৃত, অসমীয়া, হিন্দী, ইংৰাজী আৰু বাংলা) এখনি গৱেষণামূলক গ্ৰন্থ 'PRISM' উন্মোচন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে ডিব্ৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জয়ন্ত সাউদে।